**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-08-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে সম্প্ৰচাৰ সেৱা বিধেয়কৰ খচৰা সন্দৰ্ভত দিহা-পৰামৰ্শ গ্ৰহণৰ সময়সীমা ১৫ অক্টোবৰলৈ বৃদ্ধি কৰিছে।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি পুৱা নতুন দিল্লীত ভাৰত মণ্ডপমৰ পৰা পতাকা জোকাৰি হৰ ঘৰ তিৰংগা বাইক সমদলৰ শুভাৰম্ভ কৰে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উদ্ভাৱন, বৈজ্ঞানিক চিন্তাধাৰা আৰু সমস্যাৰ ক্ষিপ্ৰ সমাধানৰ হকে আহ্বান জনাইছে।

৪। বাংলাদেশৰ বৈদেশিক উপদেষ্টা মহম্মদ তৌহিদ হুছেইনে কৈছে যে শ্বেইখ হাছিনা দিল্লীত দীঘলীয়া সময়ৰ বাবে থাকিলেও ভাৰত আৰু বাংলাদেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত কোনো নেতিবাচক প্ৰভাৱ নপৰে।

আৰু

৫। বিশ্ব বেডমিণ্টন ফেডাৰেচনে ড'পিং বিৰোধী নীতি-নিয়ম মানি নচলাৰ বাবে পেৰা শ্বাটলাৰ প্ৰমোদ ভগতক ১৮ মাহৰ বাবে নিলম্বন কৰিছে।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে সম্প্ৰচাৰ সেৱা বিধেয়কৰ খচৰা সন্দৰ্ভত দিহা-পৰামৰ্শ গ্ৰহণৰ সময়সীমা ১৫ অক্টোবৰলৈ বৃদ্ধি কৰিছে। সময়সীমা বৃদ্ধি কৰি মন্ত্ৰালয়ে কয় যে বিশদ আলোচনাৰ অন্ততহে নতুন খচৰা বিধেয়কখন প্ৰকাশ কৰা হ'ব। বিধেয়কখনৰ খচৰা সংশ্লিষ্ট সকলো পক্ষ আৰু জনসাধাৰণৰ দিহা-পৰামৰ্শৰ বাবে ব্যাখ্যাত্মক টোকাৰ সৈতে যোৱা নৱেম্বৰত ৰাজহুৱা কৰা হৈছিল। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, বিধেয়কৰ খচৰা সন্দৰ্ভত বিভিন্ন সংস্থা তথা ব্যক্তিৰ পৰা দিহা-পৰামৰ্শ লাভ কৰা হৈছে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি পুৱা নতুন দিল্লীত ভাৰত মণ্ডপমৰ পৰা পতাকা জোকাৰি হৰ ঘৰ তিৰংগা বাইক সমদলৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, ৰাম মোহন নাইডু কিঞ্জাৰাপু, কিৰেণ ৰিজিজু আৰু মনসুখ মন্দাভিয়া এই অনুষ্ঠানত উপস্থিত থাকে। মেজৰ ধ্যানচন্দ নেচনেল ষ্টেডিয়ামত এই বাইক সমদলৰ সামৰণি পৰে।

এই উপলক্ষে উপ-ৰাষ্ট্ৰপতি ধনখড়ে কয় যে স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ জনসাধাৰণক উৎসাহিত কৰাৰ উদ্দেশ্যে হৰ ঘৰ তিৰংগা অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয় যে এই অভিযান ইতিমধ্যে আন্দোলনত পৰিণত হৈছে আৰু কোটি কোটি লোকে নিজৰ বাসগৃহত পতাকা উত্তোলন কৰিছে। হৰ ঘৰ তিৰংগা অভিযানে দেশৰ স্বাধীনতা, গৌৰৱ আৰু বিকশিত ভাৰতৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে বুলি উপ-ৰাষ্ট্ৰপতিয়ে মন্তব্য কৰে।

সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয় যে ত্ৰিৰংগা দেশৰ গৌৰৱ আৰু এই পতাকাই সমগ্ৰ দেশক ঐক্যবদ্ধ কৰি ৰাখিছে। ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি আহমেদাবাদৰ পৰা পতাকা জোঁকাৰি ত্ৰিৰংগা যাত্ৰাৰ শুভাৰম্ভ কৰিব। গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে এই যাত্ৰাত ভাগ ল'ব।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে উদ্ভাৱন, বৈজ্ঞানিক চিন্তাধাৰা আৰু সমস্যাৰ ক্ষিপ্ৰ সমাধানৰ হকে আহ্বান জনাইছে। ভূপালত আজি ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ একাদশ সমাৱৰ্তন সমাৰোহত ভাষণ দি বিত্তমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে সমাজৰ কল্যাণৰ বাবে বিজ্ঞান শিক্ষা আৰু গৱেষণাৰ ব্যৱহাৰ হোৱা উচিত। নৱীকৰণ যোগ্য শক্তিক সময়ৰ আহ্বান বুলি অভিহিত কৰি মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক এই শক্তি মজুত কৰি ৰাখিব পৰা বেটাৰী আৰু অন্য সম্পদ নিৰ্মাণ কৰাৰ কামত ব্ৰতী হ'বলৈ আহ্বান জনায়। তেওঁ লগতে জটিল ৰসায়নৰ মাজেৰে দেশৰ শক্তি আৱশ্যকতা পূৰণৰ বাবে চেষ্টা চলাবলৈও আহ্বান জনায়। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড° মোহন যাদৱ অনুষ্ঠানত উপস্থিত থাকে।

ooooooooo

ooooooooo

চৰকাৰে সাগৰীয় মাছ ধৰা জাহাজত মাছমৰীয়াসকলৰ ব্যৱসায় আৰু নিৰাপত্তা বৃদ্ধিৰ বাবে ১ লাখ নিৰ্দিষ্ট সঁহাৰি প্ৰেৰণ কৰিব পৰা আৰু সংকেত গ্ৰহণ কৰিব পৰা বৈদ্যুতিক আঁহিলা স্থাপন কৰিব। নতুন দিল্লীত অনুষ্ঠিত মীন খণ্ডত মহাকাশ প্ৰযুক্তিৰ প্ৰয়োগ সম্পৰ্কীয় আলোচনাচক্ৰত ভাগ লৈ কেন্দ্ৰীয় মীন ৰাজ্যিক মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কৈছে যে যদি কোনো মাছমৰীয়াই সামুদ্ৰিক সীমা অতিক্ৰম কৰে, তেন্তে এই বৈদ্যুতিক আঁহিলাসমূহে সতৰ্কতা জাৰি কৰিব। উল্লখযোগ্য যে দেশৰ অৰ্থনীতিত মীন খণ্ডই গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। শ্ৰী সিঙে কয় যে মহাকাশ প্ৰযুক্তিয়ে মীন ব্যৱস্থাপনা আৰু উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিব। তেওঁ কয় যে দেশে বাৰ্ষিক ৬০ হাজাৰ কোটিতকৈও অধিক টকা মাছকে ধৰি অন্যান্য সামুদ্ৰিক উৎপাদন ৰপ্তানিৰ জৰিয়তে আহৰণ কৰে। দেশৰ প্ৰায় ৩ কোটি লোক মীন ব্যৱসায়ৰ সৈতে জড়িত হৈ আছে আৰু চৰকাৰ মাছমৰীয়াসকলৰ কল্যাণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ দোহাৰে।

ooooooooo

আবাসী চিকিৎসক সন্থা - Federation of Resident Doctors Association-এ চলাই থকা ৰাষ্ট্ৰজোৰা ধৰ্মঘটৰ প্ৰতি সঁহাৰি জনাই মহাৰাষ্ট্ৰৰ বিভিন্ন ৰাজহুৱা চিকিৎসালয়ত কৰ্মৰত আবাসী চিকিৎসকসকলে জৰুৰীকালীন সেৱাৰ বাহিৰে অন্যান্য চিকিৎসা সেৱাৰ পৰা বিৰত আছে। চিকিৎসা মহাবিদ্যালয়সমূহৰ জ্যেষ্ঠ শিক্ষক, অধ্যাপক আৰু চুক্তিভিত্তিক কৰ্মচাৰীসকলে চিকিৎসালয়সমূহ পৰিচালনা কৰি আছে। কৰ্মচাৰীসকলৰ ছুটিও নাকচ কৰা হৈছে। মহাৰাষ্ট্ৰ ৰাজ্যিক আবাসী চিকিৎসক সন্থাই জনাইছে যে কলকাতাৰ আৰ জি চিকিৎসা মহাবিদ্যালয়ৰ আবাসীসকলৰ সৈতে সংহতি প্ৰকাশৰ উদ্দেশ্যে ধৰ্মঘটত যোগদান কৰা হৈছে।

ooooooooo

বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টা মহম্মদ তৌহিদ হুছেইনে কৈছে যে দিল্লীত শ্বেইখ হাছিনাৰ দীৰ্ঘকালীন উপস্থিতিয়ে ভাৰত আৰু বাংলাদেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত কোনো নেতিবাচক প্ৰভাৱ নেপেলায়। সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে দ্বিপাক্ষিক সম্পৰ্ক এটা গুৰুত্বপূৰ্ণ বিষয় আৰু ই পৰস্পৰ স্বাৰ্থৰ ওপৰত আধাৰিত। মহম্মদ হুছেইনে ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মাকে ধৰি অন্যান্য কূটনীতিকসকলৰ সৈতে হোৱা কথা-বতৰাৰ পাছত সংবাদকৰ্মীসকলৰ আগত এই মন্তব্য কৰে। তেওঁ আঙুলিয়াই দিয়ে যে ভাৰতৰ বাংলাদেশৰ সৈতে যিদৰে স্বাৰ্থ আছে ঠিক তেনেকৈ দিল্লীতো ঢাকাৰ স্বাৰ্থ জড়িত আছে। তেওঁ কয় যে বাংলাদেশ চৰকাৰে ভাৰতৰ সৈতে থকা সু-সম্পৰ্কৰ ধাৰাবাহিকতা ৰক্ষা কৰিব।

গৃহ পৰিক্ৰমা উপদেষ্টা বিগ্ৰেডিয়াৰ জেনেৰেল এম শ্বেখাৱট হুছেইনে বাংলাদেশত সংখ্যালঘু জনগোষ্ঠীৰ ওপৰত চলি থকা আক্ৰমণৰ ঘটনাৰ লগতে সকলোধৰণৰ হিংসা বন্ধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিববলৈ ৰাজনৈতিক দলসমূহৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০০০

ষষ্ঠ ভাৰত-অষ্ট্ৰেলিয়া সামুদ্ৰিক সুৰক্ষা আলোচনা আজি কনবেৰাত অনুষ্ঠিত হয়। ভাৰতীয় প্ৰতিনিধি দলটোৰ নেতৃত্বত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ নিৰস্ত্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় নিৰাপত্তা পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব মৌনপুই ছাইৰায় আৰু অষ্ট্ৰেলিয়াৰ দলটোক ছাৰাহ ষ্টৰীয়ে নেতৃত্ব দিছে।

দ্বিপাক্ষিক এই আলোচনাত বিশ্ব কল্যাণ আৰু সৰ্বাংগীন উন্নতি বৃদ্ধিৰ ক্ষেত্ৰত অনুকুল, সুৰক্ষিত আৰু নিৰাপদ সামুদ্ৰিক পৰিৱেশ বজাই ৰখাৰ বাবে আলোচনা অনুষ্ঠিত হয়। আলোচনাত দুয়োখন ৰাষ্ট্ৰই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সামুদ্ৰিক পৰিৱেশ, সামুদ্ৰিক সজাগতা, মানৱীয় সাহায্য আৰু দুৰ্যোগ তথা সমন্বয়কে ধৰি বিভিন্ন মত বিনিময় কৰে। ইয়াৰে ভিতৰত অনুসন্ধান আৰু উদ্ধাৰ, প্ৰদূষণ, নীলা অৰ্থনীতি আৰু বন্দৰ ৰাজ্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহযোগিতা আদিৰ আলোচনাও অন্তৰ্ভুক্ত হৈছে।

০০০০০০০০০

জম্মু আৰু কাশ্মীৰত ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে জম্মু এলেকাত অভূতপূৰ্ব নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে নিৰাপত্তা আৰু স্বাধীনতা দিৱসৰ অনুষ্ঠান সুকলমে উদযাপন কৰাৰ ক্ষেত্ৰত যাতে কোনো সুৰুঙা নাযায়, তাৰ নিশ্চিত ব্যৱস্থা হাতত লৈছে। স্বাধীনতা দিৱসৰ মূল অনুষ্ঠান শ্ৰীনগৰৰ বাক্সি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব আৰু লেফটেনেণ্ট গৱৰ্নৰ মনোজ সিন্‌হাই অভিবাদন গ্ৰহণ কৰাৰ লগতে অনুষ্ঠানত সভাপতিত্ব কৰিব। হাজাৰতকৈও অধিক লোকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

নাগপুৰ পৌৰ নিগমে যোৱা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে উদ্যম আৰু উৎসাহেৰে গ্ৰহণ কৰা হৰ ঘৰ তিৰংগা অভিযান উদযাপন কৰিছে। এই উদযাপনৰ অংশ হিচাপে আজি তিৰংগা মাৰাথন আয়োজন কৰা হয়। নাগপুৰ পৌৰ নিগমৰ সহকাৰী পৌৰ আয়ুক্ত প্ৰকাশ ৱাৰ্হেড়ে ছেইণ্ট উৰ্ছুলা বিদ্যালয়ত অনুষ্ঠিত মাৰাথন দৌৰৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। এই মাৰাথনত বহুসংখ্যক নাগৰিকেও অংশগ্ৰহণ কৰে।

০০০০০০০০০

বিশ্ব বেডমিণ্টন ফেডাৰেচনে ড'পিং বিৰোধী নীতি-নিয়ম ভংগ কৰাৰ বাবে পেৰা শ্বাটলাৰ প্ৰমোদ ভগতক ১৮ মাহৰ বাবে নিলম্বন কৰিছে। এই প্ৰতিবন্ধকতাৰ বাবে খেলুৱৈগৰাকীয়ে পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰিব নোৱাৰিব।

০০০০০০০০০

**সমাপ্ত**